আইনী সাক্ষৰতা শৃংখলা-১১

# ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

## অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী

গুৱাহাটী - ৭৮১০০১

No. ASLSA-38/2014/21 Dated: Guwahati the 18 th April '2016

To

The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**Sub:** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

18/4/2016

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

Encl:
As stated above.

# ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

আইনী সাক্ষৰতা শৃংখলা- ১১

সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Bharat Charkarar Mukhya Achanisamuh :** This book is based on legal awareness for the neoliterates on different Govt. schemes. This book is prepared by National Literacy Mission Authority, Govt. of India, New Delhi. This book is translated and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

| | | |
|---|---|---|
| মূল পুথি | : | ভাৰত সৰকাৰ কী প্ৰমুখ যোজনায়ে |
| পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল | : | নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৱতী শৰ্মা, ফুনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী , দীপাংকৰ দাস, সুস্নাতা গোস্বামী |
| ভাৰত চৰকাৰৰ ন্যায় বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল | : | ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া, গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম |
| প্ৰথম প্ৰকাশ | : | মাৰ্চ ২০১৬ (১০০০) |
| প্ৰকাশক | : | ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম<br>১-চি ডি, মাণ্ডৱী এপাৰ্টমেণ্টছ, জি এন বি ৰোড<br>আমবাৰী, গুৱাহাটী-৭৮১ ০০১ |
| সম্পাদনা | : | অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা |
| মুদ্ৰক | : | শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড<br>বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১ |

# কৃতজ্ঞতা

সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৱে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম ( নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী

# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢ়ুৱৈয়ে আদৰি ল'ব।

**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

k

# ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

## বেটি বচাও বেটি পঢ়াও (কন্যা সন্তানক সুৰক্ষা দিয়ক - শিক্ষা দিয়ক)

ভাৰতবৰ্ষত কিছু বছৰৰ পৰা স্ত্ৰী-পুৰুষৰ অনুপাত অসন্তুলিত হৈছে। দেশত ১০০০ পুৰুষৰ অনুপাতে মহিলাৰ সংখ্যা ৯৪৩। সেই বাবেই ২০১৪ চনৰ ১৫ আগষ্টত প্ৰধানমন্ত্ৰীয়ে বেটি বচাও বেটি পঢ়াও আঁচনি আৰম্ভ কৰে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এই আঁচনি চোৱা চিতা কৰিব। এই আঁচনিত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগেও সহায় কৰিব।

### মুখ্য উদ্দেশ্য

- ১০০ খন জিলাত কন্যা সন্তানৰ জন্মৰ হাৰ কম।
- পাঁচ বছৰৰ তলৰ কন্যা শিশুৰ মৃত্যুৰ হাৰ ৫ৰ পৰা ৪ লৈ কম কৰোৱা।
- কন্যা শিশুক পৌষ্টিক আহাৰৰ যোগান ধৰা।
- শিক্ষাৰ সকলো স্তৰতে ছোৱালীৰ সংখ্যা বঢ়োৱা।
- ২০১৭ চনৰ ভিতৰত সকলো স্কুলতে ছোৱালীৰ বাবে শৌচালয় নিৰ্মাণ কৰোৱা।
- যৌন উৎপীড়নৰ পৰা বচোৱাৰ উপায়।

## কিদৰে কামত আগ বাঢ়িব

- জনগণৰ সামাজিক চিন্তাধাৰা সলনি কৰাৰ বাবে কাৰ্য্যসূচী হাতত ল'ব।
- প্ৰচাৰ মাধ্যমৰ সহায়েৰে যিবোৰ জিলা বা চহৰত কন্যা সন্তানৰ হাৰ কম তাত বিশেষ গুৰুত্ব দিব।
- পঞ্চায়ত, নিগম, গোট আৰু স্বেচ্ছাসেৱী সংস্থাসমূহৰ মাধ্যমেৰে ছোৱালীৰ বাবে সুৰক্ষিত বাতাবৰণ সৃষ্টি কৰা।
- শিক্ষাৰ অধিকাৰ, সৰ্বশিক্ষা অভিযান, ছাত্ৰ বৃত্তি আদি আঁচনিৰ সঠিক ৰূপায়ণ।

## প্ৰধানমন্ত্ৰীৰ ধন-জন যোজনা

মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ ১৫ আগষ্টত "প্ৰধানমন্ত্ৰী জন-ধন যোজনা" (পি.এম.জে.ডি.ৱাই)ৰ ঘোষণা কৰে যি বৃত্তীয় বৰ্ষৰ এক ৰাষ্ট্ৰীয় মিছন হিচাবে চিহ্নিত।

প্ৰধানমন্ত্ৰীৰ জন-ধন যোজনাৰ বিষয়ে নিম্নলিখিত ব্যাখ্যা কৰা হ'ল—

### পি.এম.জে.ডি.ৱাই যোজনাৰ বিশেষ লাভ

১। জিৰো বেলেন্স একাউণ্ট, ২। ডেবিট কাৰ্ডৰ সুবিধা, ৩। এক লাখ টকাৰ দুৰ্ঘটনা বীমা সুৰক্ষা, ৪। ৩০,০০০ টকাৰ জীৱন বীমা সুৰক্ষা, ৫। পাছবুক খুলিবলৈ কোনো ধনৰাশি নালাগে, ৬। পাছবুক

খুলি ছমাহৰ ভিতৰত ভালদৰে লেনদেন কৰিলে অভাৰ ড্ৰাফ্টৰ সুবিধা পোৱা যাব।

**পি.এম.জে.ডি.ৱাইৰ একাউণ্ট পাছবুক কোনে খুলিব পাৰিব —**

- দহ বছৰ বয়সতকৈ অধিক বয়সৰ সকলোৱে এই পাছবুক খুলিব পাৰে।
- নিৰক্ষৰ লোকেও এই পাছবুক খুলিব পাৰে।
- যুটীয়াভাৱে এই একাউণ্ট খুলিব পাৰে।
- যিসকল ব্যক্তিৰ আগৰে পৰা বেংক একাউণ্ট আছে।

**পি.এম.জে.ডি.ৱাই একাউণ্ট খুলিবলৈ আৱশ্যকীয় নথি-পত্ৰ**

- আধাৰ কাৰ্ড থাকিলে অন্য নথি-পত্ৰৰ প্ৰয়োজন নাই। যদি ঠিকনা সলনি হয় তেন্তে চেল্ফ চাৰ্টিফিকেচনেই যথেষ্ট।
- আধাৰ কাৰ্ড অবিহনে ভোটাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, পেন কাৰ্ড, পাছপোৰ্ট, আৰু মনৰেগা জব কাৰ্ড থাকিলেও হ'ব। এই নথিসমূহত ঠিকনা থাকিলে পৰিচয় আৰু ঠিকনাৰ প্ৰমাণ পত্ৰ হিচাবেও ব্যৱহাৰ কৰিব পাৰিব।
- যদি কোনো ব্যক্তিৰ ওপৰত উল্লেখ কৰা এটাও বৈধ নথিপত্ৰ নাই, কিন্তু বেংকে তেওঁলোকক "বিশেষ শ্ৰেণীভুক্ত" কৰিছে, তেনেহ'লে নিম্নলিখিত নথিপত্ৰ জমা দি বেংকত একাউণ্ট খুলিব পাৰিব —

(ক) কেন্দ্ৰ/ৰাজ্য চৰকাৰৰ বিভাগ, সাংবিধানিক প্ৰাধিকৰণ, সাৰ্বজনীন ক্ষেত্ৰ, অনুসূচিত বাণিজ্যিক বেংক আৰু বিত্তীয় সংস্থাৰ দ্বাৰা মনোনীত ফটোযুক্ত পৰিচয় পত্ৰ।

(খ) ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা স্বীকৃত ফটোযুক্ত পত্ৰ।

পি.এম.জে.ডি.ৱাই একাউণ্ট ক'ত খুলিব পাৰিব —

- যিকোনো বেংকৰ শাখা বা ব্যৱসায় প্ৰতিনিধি শাখাত একাউণ্ট খুলিব পাৰিব।
- কোনো ব্যক্তিৰ পি.এম.জে.ডি.ৱাইৰ একাউণ্ট তেওঁৰ অনুৰোধ মৰ্মে অন্য চহৰ বা নগৰৰ বেংকৰ শাখালৈ বদলি কৰিব পাৰিব।
- প্ৰত্যেক শনিবাৰে ৰাতিপুৱা ৮ বজাৰ পৰা সন্ধিয়া ৮ বজালৈ বেংকৰ কেম্প আয়োজন কৰিববলৈ কোৱা হৈছে। অন্য দিনতো বেংকে ইচ্ছা কৰিলে কেম্প পাতিব পাৰে।

## স্বচ্ছ ভাৰত অভিযান

ভাৰতবৰ্ষত ১ নিযুততকৈ বেছি লোকে বসবাস কৰে। প্ৰত্যেক লোকেই প্ৰতিদিনে কিলো হিচাবত জাবৰ বাহিৰলৈ পেলাই দিয়ে। লগতে খোলা ঠাইত শৌচ কৰাৰো সমস্যা আছে। পৰিষ্কাৰ-পৰিচ্ছন্নতা নাৰাখিলে নানা বেমাৰে আগুৰি ধৰে। সেইবাবে ২০১৪ চনৰ ২ অক্টোবৰত প্ৰধানমন্ত্ৰীৰ দ্বাৰা স্বচ্ছ ভাৰত অভিযান আৰম্ভ কৰা হৈছে।

**উদ্দেশ্য**

- খোলা ঠাইত শৌচ কৰা বন্ধ কৰা।
- ফ্লাচ থকা শৌচালয় নিৰ্মাণ কৰা।
- হাতেৰে লেতেৰা উঠোৱা বা ধোৱা বন্ধ কৰোৱা।
- আৱৰ্জনাসমূহ একেলগ কৰি পৰিকল্পিতভাৱে পেলোৱা।
- সকলোকে অংশীদাৰ হ'বলৈ জাগ্ৰত কৰা।

**চৰকাৰৰ পদক্ষেপ**

- দেশৰ ৪০৪১ খন নগৰ/চহৰৰ ৰাস্তা ঘাট আৰু পুৰণি স্মৃতিচিহ্ন সমূহৰ চাফ-চিকুণৰ দায়িত্ব।
- গাঁৱৰ আৰু চহৰৰ দুখীয়া শ্ৰেণীৰ ঘৰবোৰত ৪০ শতাংশ ৰেহাই মূল্যত শৌচালয় নিৰ্মাণৰ ঘোষণা।
- নলা, চ'কাপিট আৰু জাবৰ পেলোৱাৰ পৰিকল্পিতভাৱে আঁচনি তৈয়াৰ।

**আৰু কি কৰিব পাৰি**

- শৌচালয়সমূহত ফ্লাচৰ বন্দবস্ত।
- গাঁৱৰ ঘৰবোৰত উপযুক্ত স্থানৰ অভাৱৰ বাবে পঞ্চায়তে সাৰ্বজনীন শৌচালয় আৰু গা ধোৱা ঘৰ নিৰ্মাণ কৰি দিয়া, য'ত মহিলাসকলে গা-ধোৱা, কাপোৰ ধোৱা আদি কাম সুচাৰুৰূপে কৰিব পাৰে।

## ৰাষ্ট্ৰীয় "যোগ্য ছাত্ৰবৃত্তি আঁচনি"

ৰাজ্যৰ পিছপৰা শ্ৰেণীৰ লোকসকলক শিক্ষাৰ মূল সুঁতিলৈ অনাৰ বাবে ২০০৪ চনৰ মে' মাহত ৰাষ্ট্ৰীয় "যোগ্য ছাত্ৰ বৃত্তি আঁচনি"ৰ প্ৰবৰ্তন কৰা হয়।

### উদ্দেশ্য

- আৰ্থিকভাৱে দুৰ্বল, ৮ম শ্ৰেণীলৈকে পঢ়া ল'ৰা-ছোৱালীয়ে আধাতে পঢ়া এৰিব লগা অৱস্থাটোৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰতিভাশালী ল'ৰা-ছোৱালীক ছাত্ৰ বৃত্তি প্ৰদান কৰা।
- উচ্চতৰ মাধ্যমিক স্তৰলৈকে পঢ়াশুনা চলাই যাবলৈ উৎসাহিত কৰা।

### ছাত্ৰবৃত্তিৰ আবণ্টন

- বিভিন্ন ৰাজ্য / কেন্দ্ৰীয় শাসিত ৰাজ্যৰ ক্ষেত্ৰসমূহলৈ ছাত্ৰবৃত্তিৰ আৰক্ষণ কৰা হয়।
- যিসকল ছাত্ৰৰ অভিভাৱকৰ আয় বছৰি ১,৫০,০০০ টকাতকৈ বেছি নহয়, তেওঁলোক ছাত্ৰবৃত্তি লোৱাৰ যোগ্য।
- ৰাজ্য চৰকাৰৰ আৰক্ষণ নীতি অনুসৰি ছাত্ৰবৃত্তি আবণ্টন কৰা হয়।
- ৰাজ্য চৰকাৰে আয়োজন কৰা পৰীক্ষাৰ ভিত্তিতো ছাত্ৰবৃত্তি আবণ্টন কৰা হয়।
- ছাত্ৰবৃত্তিৰ আবণ্টন, ছাত্ৰৰ নিজৰ একাউণ্টত জমা কৰা হয়।

- ৰাজ্য আৰু ৰাজ্যক্ষেত্ৰৰ প্ৰস্তাৱ অনুসৰি, জানুৱাৰি ২০১৩ ৰ পৰা ৩১ মাৰ্চ ২০১৪ লৈকে ১,৫৯,১২৭ জন ছাত্ৰক ছাত্ৰবৃত্তি প্ৰদান কৰা হৈছে।

## সাক্ষৰ ভাৰত কাৰ্য্যসূচী

ভাৰত চৰকাৰে ২০০৯ চনৰ ৮ ছেপ্টেম্বৰত, আন্তৰাষ্ট্ৰীয় সাক্ষৰতা দিৱসৰ লগত সংগতি ৰাখি "সাক্ষৰ ভাৰত" কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। দেশৰ ১৫ বছৰতকৈ বেছি বয়সৰ মহিলা-পুৰুষৰ অতি কমেও ৮০ শতাংশক সাক্ষৰ কৰিবলৈ এই কাৰ্য্যসূচীৰ দ্বাৰা আশা কৰা হৈছে। লগতে মহিলা আৰু পুৰুষৰ সাক্ষৰতাৰ ব্যৱধান অতি কমেও ১০ শতাংশলৈ লৈ যোৱা।

এই কাৰ্য্যসূচীৰ অন্তৰ্গত গ্ৰামীণ মহিলা, অনুসূচিত জাতি-জনজাতি তথা পিছপৰা শ্ৰেণীৰ যুৱক-যুৱতীসকলক বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। লগতে এই কাৰ্য্যসূচীক কম সাক্ষৰ লোক থকা জিলাসমূহ আৰু আদিবাসী অঞ্চল সমূহত প্ৰাধান্য দিয়া হৈছে।

### কাৰ্য্যসূচীৰ উদ্দেশ্য

সাক্ষৰ ভাৰত কাৰ্য্যসূচীৰ লক্ষ্য পূৰণ কৰিবলৈ তলত উল্লেখ কৰা উদ্দেশ্যসমূহ নিৰ্ধাৰণ কৰা হৈছে —

- ১৫ বছৰ বয়সৰ বা তাতকৈ বেছি বয়সৰ পুৰুষ-মহিলাক সাক্ষৰ কৰা।
- ন-সাক্ষৰসকলক এনে সুবিধা প্ৰদান কৰিব লাগে যাতে,

তেওঁলোকে প্ৰাথমিক শিক্ষা লোৱাৰ পাছতো শিকিবলৈ আগ্ৰহী হয় আৰু নিয়মীয়া শিক্ষা ব্যৱস্থাৰ সমমান শিক্ষা লাভ কৰিব পাৰে।

- আজীৱন শিকাৰ সুবিধা দি, শিকিবলৈ আগ্ৰহী সমাজ স্থাপন কৰা।

**সাক্ষৰ ভাৰত কাৰ্য্যসূচীৰ মুখ্য বিশেষত্বসমূহ**

- এই কাৰ্য্যসূচী ১৫ বছৰতকৈ উৰ্দ্ধৰ বয়স্ক নিৰক্ষৰ লোকসকল লাভবান হ'ব। মহিলা, অনুসূচিত জাতি, জনজাতি তথা সংখ্যালঘুসকলক বিশেষভাৱে গুৰুত্ব দিয়া হৈছে।
- এই কাৰ্য্যসূচীত প্ৰাথমিক সাক্ষৰতা, প্ৰাথমিক শিক্ষা, বুদ্ধিৰ বিকাশ তথা অবিৰত শিক্ষা কাৰ্য্যসূচী সমানে চলাই যোৱা হৈছে।
- স্বেচ্ছাসেৱকৰ দ্বাৰা পঢ়োৱা আৰু শিকোৱাৰ লগে লগে অন্যান্য সুবিধা অৰ্থাৎ আবাসিক শিবিৰ, আবাসী শিক্ষক আদিৰ ব্যৱস্থাও কৰা হয়।
- গ্ৰাম পঞ্চায়ত স্তৰত কাৰ্য্যসূচীৰ সকলো দিশৰে কামকাজ, সমন্বয়, তথা পৰিচালনাৰ বাবে লোক শিক্ষা কেন্দ্ৰ গঠন কৰা হৈছে।
- কাৰ্য্যসূচীৰ কামকাজ পঞ্চায়তী ৰাজ সংস্থাৰ দ্বাৰা কৰাব লাগে।
- সফল শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় সংস্থাৰ (এন.আই.অ.এছ)ৰ দ্বাৰা প্ৰমাণ পত্ৰ প্ৰদান কৰাৰ সুবিধা আছে।
- সঘনে প্ৰশিক্ষণ, পৰ্য্যবেক্ষণ আৰু মূল্যাংকনৰ ব্যৱস্থা আছে।

## সাক্ষৰ ভাৰতৰ শৈক্ষিক কাৰ্য্যসূচী

### ১। প্ৰাথমিক সাক্ষৰতা কাৰ্য্যসূচী

এই কাৰ্য্যসূচীৰ অন্তৰ্গত ১৫তকৈ বেছি বয়সৰ নিৰক্ষৰ লোকক সাক্ষৰ কৰাৰ কাম হাতত লোৱা হয়। ইয়াৰ বাবে ২০০ ঘণ্টাৰ পঢ়োৱা আৰু শিকোৱা প্ৰবেশিকা আৰু ১০০ ঘণ্টাৰ সেতু প্ৰবেশিকাক ব্যৱহাৰ কৰা হয়।

### ২। প্ৰাথমিক শিক্ষা কাৰ্য্যসূচী

৩০০ ঘণ্টাৰ কাৰ্য্যকৰী সাক্ষৰতা পোৱাৰ পাছত ন-সাক্ষৰসকলে পঢ়াশুনাত আগবাঢ়ি যাব পাৰিব। ন-সাক্ষৰ আৰু স্কুল আধাতে এৰি দিয়া শিক্ষাৰ্থীসকলক অষ্টম শ্ৰেণীৰ স্কুলীয়া শিক্ষাৰ্থীৰ সমান যোগ্যতা আৰ্জনৰ সুবিধা প্ৰদান কৰা হয়।

### ৩। ব্যৱসায়িক তথা দক্ষতা বিকাশৰ কাৰ্য্যসূচী

ইয়াৰ অন্তৰ্গত ন-সাক্ষৰসকলে এনে ব্যৱসায়িক দক্ষতা অৰ্জন কৰিব যাৰ সহায়ত উপাৰ্জনৰ অধিক সুবিধা পাব।

### ৪। অবিৰত শিক্ষা কাৰ্য্যসূচী

ইয়াৰ মুখ্য উদ্দেশ্য অধ্যয়নশীল সমাজ সৃষ্টি কৰা। ন-সাক্ষৰসকলে লাভ কৰা সাক্ষৰতা অটুট ৰাখিবলৈ আৰু সাক্ষৰতাৰ স্তৰ উন্নত কৰিবৰ বাবে কিতাপ, মিডিয়া, সূচনা আৰু প্ৰচাৰ উদ্যোগৰ ব্যৱহাৰৰ সুবিধা আছে।

## জন শিক্ষণ সংস্থান

জন শিক্ষণ সংস্থানসমূহে জিলা ভিত্তিত দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়া কাম কৰে। দেশত মুঠতে ২৭১ টা এনে সংস্থা স্থাপিত কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ, স্কুলীয়া শিক্ষা আৰু সাক্ষৰতা বিভাগৰ দ্বাৰা জন শিক্ষণ সংস্থান প্ৰতিষ্ঠা কৰা হয়। জিলাসমূহৰ চহৰ, নগৰ, ঔদ্যোগিক ক্ষেত্ৰ তথা গ্ৰামীণ অঞ্চলসমূহ জন শিক্ষণ সংস্থানৰ কাৰ্য্যক্ষেত্ৰ।

### উদ্দেশ্য আৰু লক্ষ্যসমূহ

- ১৫ৰ পৰা ৩৫ বছৰ বয়সৰ যুৱকসকলক অনিয়মীয়া ব্যৱসায়িক প্ৰশিক্ষণ দি স্বাৱলম্বী কৰা।
- চহৰ / গাঁৱৰ জনসংখ্যা, নৱসাক্ষৰ, নিৰক্ষৰ, অনুসূচিত জাতি-জনজাতি, মহিলা আৰু বালিকা, জুপুৰী ঘৰত বাস কৰা লোকসকল আৰু বাহিৰৰ পৰা অহা বনুৱাসকল সামৰি লোৱা এই সংস্থাৰ মুখ্য লক্ষ্য।

### ভূমিকা

সংস্থানৰ দ্বাৰা উপযোগী ব্যৱসায়িক কাৰ্য্যসূচী, জিলাসমূহৰ আৱশ্যকতাক লক্ষ্য কৰি পৰিচালনা কৰা হয়। বিভিন্ন প্ৰশিক্ষণৰ বাবে বেলেগ বেলেগ সময়সীমা থাকে। প্ৰশিক্ষণৰ পাছত সংস্থাৰ দ্বাৰা প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

সংস্থাই লাভাৰ্থীসকলক স্ব-উপাৰ্জনৰ পথো দেখুৱাই দিয়ে। জন

শিক্ষণ সংস্থাই যুৱকসকলক উপাৰ্জনক্ষম প্ৰশিক্ষণ তথা কাৰ্য্যক্ষম সাক্ষৰতাৰ মাধ্যমেৰে প্ৰশিক্ষিত কৰি ব্যক্তিগত তথা ৰাষ্ট্ৰীয় আয় বৃদ্ধি কৰাৰ ভূমিকা লয়।

**সৰ্বশিক্ষা অভিযান**

জনসাধাৰণৰ মাজত প্ৰাথমিক শিক্ষাৰ প্ৰচাৰৰ বাবে ২০০১ বৰ্ষৰ পৰা কাৰ্য্যকৰী হোৱাকৈ সৰ্বশিক্ষা অভিযানৰ আৰম্ভ কৰা হয়। ইয়াৰ গুণগত মান উন্নত কৰাৰ বাবে চৰকাৰে কিছু সংশোধন কৰিছে।

- ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ২০০৫ অনুসৰি পাঠ্যক্ৰম, শিক্ষকৰ প্ৰশিক্ষণ আৰু শৈক্ষিক আঁচনি তৈয়াৰ কৰিব।
- এনে পৰিবেশ গঢ়ি তুলিব লাগে যাতে অনুসূচিত জাতি / জনজাতি, সংখ্যালঘু মুছলিম, পিছপৰা শ্ৰেণীৰ ল'ৰা-ছোৱালী, ভূমিহীন খেতিয়ক, আৰু বিশেষভাৱে ছোৱালীবোৰ যাতে শিক্ষাৰ দ্বাৰা লাভান্বিত হয়।
- স্ত্ৰীসকলৰ অৱস্থাৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰমৰ পৰিবৰ্তন কৰা।
- মাতা-পিতা, শিক্ষক, বা অন্যান্য লোকসকলক শিক্ষাৰ অধিকাৰ সাব্যস্ত কৰিবলৈ নৈতিক হেঁচা দিয়া।

**কি কি কৰি আছে —**

- শিক্ষাৰ অধিকাৰ মৌলিক অধিকাৰ।

- সমগ্ৰ ভাৰতবৰ্ষতে কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ে কাম কৰি আছে, য'ত অনুসূচিত জাতি / জনজাতি, পিছপৰা শ্ৰেণীৰ ছোৱালীসকল থাকে আৰু পঢ়ে। মুঠ ৩৬০০ এনে বিদ্যালয় আছে।
- ছোৱালীসকল উপকৃত হোৱাকৈ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় কাৰ্য্যসূচী আছে।
- মধ্যাহ্ন ভোজন আঁচনিৰ অন্তৰ্গত সকলো শিশুকে পৌষ্টিক আহাৰৰ যোগান ধৰা হয়।
- ৬০০০ উৎকৃষ্ট মডেলৰ বিদ্যালয় খণ্ড স্তৰত স্থাপন কৰাৰ আঁচনি তৈয়াৰ কৰা হৈছে।

## মধ্যাহ্ন ভোজন আঁচনি

দুখীয়া আৰু পিছপৰা শ্ৰেণীৰ বিদ্যাৰ্থীসকল যাতে বিদ্যালয়ত উপস্থিত থাকে আৰু পৌষ্টিক আহাৰ গ্ৰহণ কৰিব পাৰে, তাৰ বাবে ১৯৯৫ৰ ১৫ আগষ্টত মধ্যাহ্ন ভোজনৰ আঁচনিখন আৰম্ভ কৰা হয়। এই আঁচনিখনক ২০০৮-২০০৯ চনত ৰাষ্ট্ৰীয় স্কুল মধ্যাহ্ন ভোজন আঁচনি হিচাবে নামাংকিত কৰা হয়।

**উদ্দেশ্য**

- শ্ৰেণীকোঠাত শিশু যাতে ভোকত নাথাকে, যিহেতু ভোকত থাকি পঢ়া-শুনা কৰিব নোৱাৰি।
- শিশুৰ স্বাস্থ্যৰ উন্নতি।
- স্কুলত শিশুৰ সংখ্যা আৰু উপস্থিতিৰ বৃদ্ধি কৰা।
- সামাজিক ক্ষমতা বঢ়োৱা, বিশেষভাৱে ছোৱালীসকলক পূৰ্ণ আহাৰৰ যোগান ধৰা।
- ভাত ৰন্ধা কামটো মহিলাসকলক দিয়া।

**ভোজন কেনেধৰণৰ হ'ব আৰু কি থাকিব**

- ১০০ গ্ৰাম খাদ্য।
- ৫০ গ্ৰাম শাক-পাচলি।

- ৪৫০ গ্ৰাম প্ৰ'টিনযুক্ত কেলৰী।
- ১২ গ্ৰাম প্ৰ'টিন।

প্ৰাথমিক স্তৰ আৰু মাধ্যমিক স্তৰত ৭০০ কেল'ৰী আৰু ২০ গ্ৰাম প্ৰ'টিন খাদ্য তালিকাত থাকিব লাগে।

**ভোজনৰ বাহিৰেও অন্যান্য সুবিধা :**

- খোৱা পানীৰ সুবিধা।
- হাত ধোৱাৰ সুবিধা
- সকলোৰে সহযোগত ভোজন বিলোৱা আৰু স্বচ্ছতা ৰক্ষা কৰা।
- পৰিষ্কাৰ-পৰিচ্ছন্নতাৰে খোৱা-বোৱা কৰাৰ অভ্যাস কৰা।

**চৰকাৰ আৰু অন্য এজেন্সিসমূহৰ দায়িত্ব**

- কেন্দ্ৰ চৰকাৰ বা ৰাজ্য চৰকাৰে ধনৰাশিৰ যোগান ধৰিব।
- মহিলা আত্মসহায়ক গোট নেহেৰু যুৱকেন্দ্ৰ, পঞ্চায়ত, নগৰ নিগম আদিয়েও সহযোগ কৰিব।
- নিৰ্দিষ্ট স্থানত অহাযোৱা কৰা ৰাস্তাসহ সমূহীয়া ৰান্ধনীশাল নিৰ্মাণ কৰিব লাগিব।

**আৱশ্যকীয় তাৎপৰ্য্য**

- খাদ্যৰ গুণগত মান, সুৰক্ষা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত

চকু ৰাখিবলৈ ২-৩ জন লোকে (এজন শিক্ষক), শিশুক খাদ্য দিয়াৰ আগতে নিজে খাই পৰীক্ষা কৰি ল'ব।

- কালেক্টৰে মনোনীত কৰা অধিকাৰীয়ে খাদ্য শস্যৰ গুণগত মান পৰীক্ষা কৰিব।

## অভিযোগ থাকিলে কি কৰিব

- সমাজৰ কোনো সাৰ্বজনীন এজেন্সি বা গোটে মধ্যাহ্ন ভোজন আঁচনিৰ হিচাব পৰীক্ষা কৰিব পাৰিব।
- টোল ফ্ৰী নম্বৰ বা পত্ৰৰ জৰিয়তেও অভিযোগ কৰিব পাৰিব।

## ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান

সাক্ষৰতা আগবঢ়াই নিবলৈ প্ৰাথমিক শিক্ষাৰ পাছত মাধ্যমিক শিক্ষাৰ ব্যৱস্থা কৰাটো আৱশ্যকীয়। ২০০৯ চনৰ মাৰ্চত আৰম্ভ কৰা এই আঁচনি ২০০৯-১০ৰ পৰা চলাই অহা হৈছে।

### উদ্দেশ্য

- স্কুলত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ সংখ্যা ৭৫ শতাংশলৈ বৃদ্ধি কৰা।
- মাধ্যমিক শিক্ষাৰ স্তৰ বৃদ্ধি কৰা।
- সকলোৰে বাবে একে শিক্ষাৰে সামাজিক আৰ্থিক বৈষম্যতা আৰু বিকলাংগতাৰ বাধা দূৰ কৰা।
- ২০১৭ চনৰ দ্বাদশ পঞ্চবাৰ্ষিক যোজনা সম্পূৰ্ণ হোৱালৈকে সকলোৰে বাবে মাধ্যমিক স্তৰৰ শিক্ষাৰ সুবিধা কৰা।

### আঁচনিৰ পৰা লাভবানসকল

এই আঁচনি সকলোৰে বাবে, কিন্তু বিশেষভাৱে নিম্নলিখিত কাৰ্য্যসমূহ কৰা হ'ব :

- আশ্ৰম স্কুলসমূহ প্ৰাথমিকৰ পৰা মাধ্যমিক স্তৰলৈ নিয়া।
- সংখ্যালঘু বিস্তৃত ক্ষেত্ৰত অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ পঢ়া ১৪ৰ পৰা ১৮ বছৰ বয়সৰ ছাত্ৰসকলৰ আৰু দুখীয়া শ্ৰেণীৰ বাবে বিশেষভাৱে প্ৰৱেশ অভিযান চলোৱা হ'ব।

## চৰকাৰে কি কৰিব

- যি এজেন্সিয়ে এই আঁচনি কাৰ্য্যকৰী কৰিব কেন্দ্ৰ চৰকাৰ বা ৰাজ্য চৰকাৰে তেওঁলোকক ধনৰাশি যোগান ধৰিব।
- অতিৰিক্ত শ্ৰেণীকোঠা, প্ৰয়োগ শালা, পুথিভঁৰাল, কলা বিকাশৰ বাবে কোঠা, শৌচালয়, খোৱা পানীৰ ব্যৱস্থা, শিক্ষকসকলৰ থকাৰ ব্যৱস্থা আদি চৰকাৰে কৰি দিব।

## আঁচনিৰ বিশেষতা

- বিদ্যাৰ্থী শিক্ষকৰ অনুপাত ১৮ : ১ লৈ নিয়া।
- গণিত, বিজ্ঞান আৰু ইংৰাজীত বিশেষভাৱে গুৰুত্ব দিয়া।
- শিক্ষকৰ প্ৰশিক্ষণ।
- কম্পিউটাৰ আৰু সূচনা উদ্যোগৰ ব্যৱহাৰ।
- ছোৱালীৰ বাবে পৃথক শৌচালয়।

## মহিলা সমাখ্যা

মহিলাসকলৰ সমাজত স্থিতি পৰিবৰ্তনৰ বাবে ১৯৮৮-৮৯ বৰ্ষত মহিলা সমাখ্যা আঁচনি আৰম্ভ কৰা হৈছে। এই আঁচনি ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত শিক্ষা প্ৰক্ৰিয়াত ছোৱালীৰ সংখ্যা বঢ়োৱাৰ বাবে আৰু মহিলাসকলক সমাজত সিদ্ধান্তক্ষম ব্যক্তি হিচাপে গঢ় দিয়াৰ উদ্দেশ্যে হাতত লোৱা হৈছে।

**উদ্দেশ্য**

- গ্ৰামীণ মহিলাসকলক শিক্ষাৰ উন্নত ব্যৱস্থা সৰল কৰি তোলা।
- মহিলাসকলে গোট গঠন কৰি একেলগে বহি নিজৰ ভিতৰতে বিভিন্ন আলোচনা কৰিব, অৱসৰৰ সময়ো উলিয়াব পাৰিব, বিশেষকৈ শিক্ষা চাকৰি আৰু স্বাস্থ্য সম্বন্ধেও আলোচনা কৰিব পাৰিব।
- পৰিয়াল, সমাজ, পঞ্চায়ত আৰু খণ্ড পৰ্য্যায়ত এনে কাৰ্য্যসূচী কৰিব লাগে, যি জনসাধাৰণৰ মাজত সচেতনতা আনে।
- শিশুসকলে, বিশেষকৈ কন্যা-শিশু যাতে স্কুললৈ সদায় আহে অবিৰতভাৱে পঢ়া-শুনা কৰে।

**আঁচনিৰ প্ৰতিফলন**

- বৰ্তমান দেশৰ ১০ খন ৰাজ্য — অন্ধ্ৰপ্ৰদেশ, অসম, বিহাৰ, ঝাৰখণ্ড, ছট্টীছগড়, কৰ্ণাটক, কেৰালা, গুজৰাট, উত্তৰপ্ৰদেশ,

উত্তৰাখণ্ডত এই আঁচনি কাৰ্য্যকৰী কৰা হৈছে। মুঠ ১২৬ খন জিলাৰ ৪২৩৯৮ খন গাঁৱত এই কাৰ্য্যসূচী চলি আছে।

- এই আঁচনিত কাম কৰা মহিলাসকলক সহযোগী বুলি কোৱা হয়। তেওঁলোকৰ সংখ্যা ১০,০০০ তকৈ বেছি আৰু ১৪০ লাখ মহিলা তেওঁলোকৰ দ্বাৰা উপকৃত হৈছে।
- এই আঁচনিৰ অধীনত মহিলাসকলক আইনৰ অধিকাৰৰ বিষয়েও জনোৱা হয়, যাৰ বাবে সকলো ক্ষেত্ৰতে তেওঁলোকে পুৰুষৰ সমানে সুবিধা পাব পাৰে।
- এই আঁচনি মানৱ উন্নয়ন বিকাশ মন্ত্ৰালয়ৰ অধীনত পৰিচালনা কৰা হয়।

## সবলা যোজনা বা আঁচনি

২০০০ চনত মহিলা তথা শিশু বিকাশ মন্ত্রণালয়ৰ দ্বাৰা দেশৰ কিশোৰীসকলৰ বাবে বিভিন্ন সূচী প্ৰচলন কৰা হৈছে। ইয়াৰ জৰিয়তে এঘাৰৰ পৰা ওঠৰ বছৰ বয়সৰ কিশোৰীসকলৰ স্বাস্থ্যৰ লগতে বৃত্তিগত দক্ষতা বৃদ্ধি কৰা, চাফ-চিকুণ, পৰিয়াল কল্যাণ আদিৰ বাবে সচেতন কৰাৰ চেষ্টা কৰা হৈছে। এনে নিয়মৰ অধীনত প্ৰথম পৰ্য্যায়ত দেশৰ ২০০ খন জিলা সামৰি লোৱা হৈছে।

**উদ্দেশ্য**

- ১১ৰ পৰা ১৮ বছৰৰ বয়সৰ বিদ্যালয়লৈ যোৱা আৰু বিদ্যালয় ত্যাগ কৰা সকলো কিশোৰীৰে স্বাস্থ্য পৰীক্ষা কৰোৱা আৰু পৰিপুষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা।
- কিশোৰীসকলৰ জীৱন কৌশল, ঘৰুৱা দক্ষতা আৰু বৃত্তিগত যোগ্যতাৰ বিকাশ ঘটোৱা।
- কিশোৰীৰ স্বাস্থ্য, পৰিপুষ্টি, ব্যক্তিগত চাফ-চিকুণতা শিশুৰ প্ৰতিপালন, কিশোৰীৰ যৌন শিক্ষা, লিংগ বৈষম্য, মানসিক চাপ নিয়ন্ত্ৰণ, ঘৰুৱা বাজেট, সময় সচেতনতা আদি বিষয়ৰ ওপৰত জাগ্ৰত কৰা।
- কিশোৰীসকলক সমাজৰ প্ৰয়োজনীয় সেৱাসমূহ যেনে — ডাকঘৰ, বেংক, পুলিচ থানা আৰু আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পৰা সুবিধাসমূহৰ বিষয়ে জনোৱা।

- বিদ্যালয় আধাতে ত্যাগ কৰা কিশোৰীক বিদ্যালয়ৰ মূল ধাৰাটোৰ লগত পৰিচয় কৰোৱা।

**কাৰ কাৰণে এই আঁচনি ?**

আঁচনিৰ অৰ্ন্তগত জিলাৰ ১১ৰ পৰা ১৪ বছৰ বয়সৰ বিদ্যালয় ত্যাগ কৰা কিশোৰী আৰু ১৪ৰ পৰা ১৮ লৈ সকলো কিশোৰী লাভৱান হ'ব।

**আঁচনিখনৰ বিশেষত্ব**

- কিশোৰীসকলক আয়ৰন আৰু ফলিক এছিদ টেবলেট বিতৰণ কৰা।
- কিশোৰীসকলৰ নিয়মিত স্বাস্থ্য পৰীক্ষা কৰি উন্নত উপযোগী সেৱাৰ বাবে প্ৰেৰণ কৰা।
- কিশোৰীসকলক স্বাস্থ্য আৰু পৰিপুষ্টিৰ শিক্ষা দিয়া।
- কিশোৰীসকলক আইনী অধিকাৰ, নেতৃত্বৰ ক্ষমতা বিকাশ আদি বিষয়ত দিক্‌দৰ্শন কৰোৱা।

**আঁচনিখনৰ মূল কাৰ্য্যক্ৰম**

- এই আঁচনিখনৰ কেন্দ্ৰবিন্দু হ'ল অংগনবাদী কেন্দ্ৰ, প্ৰাথমিক বিদ্যালয়, পঞ্চায়ত, সামূহিক স্বাস্থ্য কেন্দ্ৰ আদি।

- সবলা কেন্দ্ৰত প্ৰতি মঙলবাৰ আৰু শনিবাৰে ২-৩ ঘণ্টা পৰ্য্যন্ত বিভিন্ন কাৰ্য্য সম্পাদন কৰা হয়।
- কিশোৰী মঞ্চ গঠন আৰু প্ৰশিক্ষণ।
- এখন মঞ্চত ১৫-২৫ গৰাকী বিদ্যালয় এৰা কিশোৰী থাকে।
- এটা গোটত কিশোৰীসকলে তেওঁলোকৰ মাজৰে এগৰাকী সখী আৰু ২ গৰাকী সহায়িকা বাছি লয়।
- তিনিমাহৰ মূৰত এবাৰ কিশোৰী দিৱসৰ আয়োজন কৰা হয়। সেইদিনাই কিশোৰীসকলৰ স্বাস্থ্য পৰীক্ষা কৰি আইৰন ফলিক এছিদৰ টেবলেট বিতৰণ কৰা হয়। প্ৰত্যোক কিশোৰীৰে স্বাস্থ্য সম্পৰ্কীয় এখন স্বাস্থ্য কাৰ্ড থাকে।
- সকলো ৰাইজ, পিতৃ-মাতৃ, ভাই-ভনী আদিক সজাগ কৰিবলৈ কিশোৰী দিৱস পতা হয়।

## জননী সুৰক্ষা যোজনা বা আঁচনি

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, ভাৰত চৰকাৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ আঁচনিসমূহ ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য মিছনৰ দ্বাৰা পৰিচালিত হয়। এই কল্যাণকামী আঁচনিসমূহৰ ভিতৰত 'জননী সুৰক্ষা যোজনা বা আঁচনি'ও এখন। এই আঁচনিখন চহৰ আৰু গাঁও উভয়তেই সমানে প্ৰযোজ্য।

### উদ্দেশ্য

- মাতৃ আৰু শিশুৰ মৃত্যুৰ হাৰ কমোৱা
- আনুষ্ঠানিক প্ৰসৱ নিশ্চিত কৰা

### আঁচনিৰ লক্ষ্য

- গাঁও আৰু চহৰৰ মহিলাক; প্ৰসূতি/প্ৰসৱ চিকিৎসা/সুবিধা চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত বা চৰকাৰী চিকিৎসালয়ত প্ৰদান কৰা।
- যিসকল দৰিদ্ৰ সীমাৰেখাৰ তলৰ মহিলা তেওঁলোকক প্ৰশিক্ষণপ্ৰাপ্ত ধাই অথবা এ.এন.এমৰ দ্বাৰাই ঘৰতে প্ৰসৱ কৰোৱা।

### আঁচনিৰ সুবিধা পাবলৈ কি লাগিব

- গৰ্ভাৱস্থা পঞ্জীয়ন কৰাব লাগিব।
- চৰকাৰী অথবা স্বীকৃতিপ্ৰাপ্ত চিকিৎসালয়ত প্ৰসৱ কৰোৱা।

### গাঁও অঞ্চলৰ বাবে

- চিকিৎসালয়ত প্ৰসৱ কৰালে নগদ ১৪০০ টকাৰ মাননি।
- গৰ্ভৱতী মহিলাক প্ৰসৱৰ আগত সহায় কৰা বাবে আশাকৰ্মীক ৩০০ টকা আৰু প্ৰসৱৰ পাছতো ৩০০ টকা মুঠ ৬০০ টকা দিব।

**চহৰ অঞ্চলৰ বাবে**

- মহিলাসকলক নগদ ১০০০ টকাৰ মাননি দিব।
- আশাকৰ্মীক প্ৰসৱৰ আগৰ আৰু পাছৰ সহায়ৰ বাবে দুশ টকাকৈ মুঠ ৪০০ টকা দিয়া হয়।

**আঁচনিখনৰ সুবিধা কেনেকৈ পাব**

- গৰ্ভধাৰণ নিশ্চিত হ'লে ওচৰৰ অংগনবাদী কেন্দ্ৰ, সামূহিক স্বাস্থ্যকেন্দ্ৰ বা যিকোনো চৰকাৰী বা চৰকাৰী স্বীকৃতিপ্ৰাপ্ত চিকিৎসালয়ত নাম পঞ্জীয়ন কৰক।
- পঞ্জীয়ন কৰা সময়ত আধাৰ কাৰ্ডৰ নম্বৰ, বেংক একাউণ্ট নম্বৰ আৰু মোবাইল নম্বৰ দিয়া আৱশ্যক।

**আঁচনিৰ বিশেষত্ব**

- প্ৰত্যেক গাঁও বা ৱাৰ্ডত আশাকৰ্মী আছে।
- যিকোনো সময়তে টোলফ্ৰি নম্বৰত কথা পাতিব পাৰে।
- জৰুৰী সময়ত প্ৰয়োজন হ'লে এম্বুলেন্স সেৱা আগবঢ়াব।

অধিক জানিবৰ বাবে এ.এন.এম/আশাকৰ্মী/ প্ৰেৰক/খণ্ড উন্নয়ন বিষয়াৰ লগত যোগাযোগ কৰিব।

## ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান

ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত গাঁও অঞ্চলৰ সকলো দুখীয়া (বি.পি.এল.) লোকক জীৱিকাৰ পথ সুগম কৰি দিয়া হয়। ইয়াৰ লগতে তেওঁলোকৰ কাৰ্য্যদক্ষতা বিকাশ কৰি সন্মানৰ সৈতে জীৱন-যাপন কৰিবলৈ সক্ষম কৰিব পাৰে।

**উদ্দেশ্য**

- গ্ৰাম্য অঞ্চলৰ দুখীয়া লোকসকলক একত্ৰিত কৰা।
- কৌশল বিকাশ কৰা, যাতে আত্মনিৰ্ভৰশীল হ'ব পাৰে।
- আত্মনিৰ্ভৰশীলতাৰ বাবে ঋণ অথবা আন সহযোগিতা আগবঢ়োৱা।

**আঁচনিখন কাৰ বাবে**

- ব্যক্তিগত অথবা আত্মসহায়ক গোটৰ সমূহ মহিলা আৰু পুৰুষৰ বাবে।
- দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ বাবে।
- এই আঁচনিৰ জৰিয়তে দৰিদ্ৰ সীমাৰেখাৰ তলৰ সকলো পৰিয়ালকে সামৰি লোৱা হয়। এই আঁচনিয়ে ৫০% মহিলা, ১৫% সংখ্যালঘু আৰু ৩% বিকলাংগ ব্যক্তি অন্তৰ্ভুক্ত হ'ব।
- আঁচনিৰ অধীনত থকা দুখীয়া পৰিয়ালবোৰক নিজৰ নিজৰ গোট গঠন কৰিবলৈ উৎসাহ জনোৱা হয়। গোটবোৰক সক্ৰিয় কৰিবলৈ অৰ্থ তথা অন্যান্য সহযোগিতা আগবঢ়োৱা হয়।

**আঁচনিৰ জৰীয়তে উপকৃত হ'বলৈ প্ৰয়োজনীয় তথ্য**

- দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালসকল।
- আত্মসহায়ক গোটসমূহৰ ৭০% (সত্তৰ) সদস্য দৰিদ্ৰ সীমাৰেখাৰ তলৰ হ'ব লাগিব।
- আত্মসহায়ক গোটে (য'ত ৭০% দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে) সংগৃহীত পুঁজিৰপৰা ১০,০০০/- টকাৰ পৰা ১৫,০০০/- লৈ ধন লাভ কৰে।
- সাধাৰণ শ্ৰেণীৰ আত্মসহায়ক গোট বা ব্যক্তিগত হিতাধীকাৰীয়ে ১৫০০০ টকা, অনুসূচিত জাতি-জনজাতিৰ লোকে ২০০০০ টকা ৰেহাই পাব।
- গোটসমূহক দুই লাখ পঞ্চাছ হাজাৰ টকা পৰ্য্যন্ত ৰেহাই দিয়া হ'ব।
- ৰেহাই কেৱল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালসমূহৰ ব্যক্তিগত হিতাধিকাৰী তথা এনেকুৱা গোট য'ত কমেও ৭০% সদস্য দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে তেনে পৰিয়ালসমূহক দিয়া হ'ব।
- কাৰ্য্যদক্ষতা বৃদ্ধি কৰিবলৈ প্ৰশিক্ষণৰ বাবে প্ৰত্যেক হিতাধীকাৰীক ৭৫০০ টকা দিয়া হ'ব।
- আত্মসহায়ক গোটৰ গঠন তথা বিকাশৰ বাবে স্বেচ্ছাসেৱী সংগঠনক প্ৰতিটো গোটৰ বাবে ১০,০০০ টকাকৈ প্ৰদান কৰা হ'ব।

**আঁচনিৰ অন্যান্য সুবিধাসমূহ**

- আত্ম সহায়ক গোট গঠন কৰা। গোটৰ অধিক উপাৰ্জনৰ কাৰণে ঋণ লোৱা, বেংক অথবা বজাৰৰ লগত সম্পৰ্ক স্থাপন কৰা আৰু উৎপাদন বৃদ্ধি কৰিবলৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।
- তেওঁলোকৰ পাৰস্পৰিক জীৱিকা সাধনৰ বাবে স্থায়ী ব্যৱস্থা কৰা।
- গ্ৰাম্য আত্মনিৰ্ভশীল প্ৰশিক্ষণ দিয়া অনুষ্ঠান স্থাপন কৰা।

## বিনামূলীয়া আইন সাহায্য

সকলো নাগৰিকে সমান সুবিধাৰ লগতে সহজে ন্যায় পোৱাটো উচিত। সংবিধানৰ অনুচ্ছেদ ৩৯-ক অনুসৰি কোনো ব্যক্তিয়েই আৰ্থিক বা অন্য কোনো কাৰণতে ন্যায়ৰ পৰা বঞ্চিত হ'ব নোৱাৰে। এই উদ্দেশ্য পূৰণ কৰাৰ বাবে ৰাজ্য আৰু জিলা ভিত্তিত প্ৰয়োজনীয় সেৱা প্ৰাধিকৰণৰ গঠন কৰা হৈছে। ৰাজ্যত উচ্চ ন্যায়ালয়ৰ সহায়ত তহচিল স্তৰত প্ৰয়োজনীয় সেৱা সমিতি গঠন কৰা হয়।

**উদ্দেশ্য**

দুখীয়া, অসহায়, পীড়িত লোকসকলক বিনামূলীয়া আইনী সাহায্য প্ৰদান কৰা।

**বিভিন্ন সেৱাসমূহ**

♦ উকিল ফীজ ♦ কোৰ্ট ফীজ ♦ টাইপিং, ফটোকপি, আৰু অনুবাদ কৰিবলৈ লগা খৰচসমূহ ♦ নিৰ্ণয় / আদেশ তথা অন্য কাগজ-

পাতিৰ প্ৰমাণিত প্ৰতিলিপি পাবলৈ কৰা খৰচসমূহ ♦ সাক্ষী সম্বন্ধীয় অন্যান্য জৰুৰী খৰচ।

**বিনামূলীয়া আইনী সেৱা কাৰ বাবে —**

- অনুসূচিত জাতি / জনজাতিৰ সদস্য।
- অত্যাচাৰৰ বলি বা বিনা মজুৰিত খাটি থকা ব্যক্তিসকল।
- মহিলা আৰু শিশুসকল।
- মানসিক ৰোগী আৰু বিশেষভাৱে সক্ষম ব্যক্তি।
- বিপদ, জাতীয় হিংসা, অত্যাচাৰ পীড়িত তথা উদ্যোগৰ শ্ৰমিকসকল।
- কাৰাগাৰ, মানসিক চিকিৎসালয়, মানসিক চিকিৎসা পৰিচৰ্য্যা গৃহ আদিত থকা ব্যক্তিসকল।
- যি সকল ব্যক্তিৰ বাৰ্ষিক আয় ১০০০০০ টকাতকৈ বেছি নহয়, তেনে ব্যক্তি এই আঁচনিৰ পৰা উপকৃত হ'ব।

**বিভিন্ন আইনী সেৱা লোৱাৰ নিয়ম**

- আইনী সেৱাৰ অধিকাৰ পাবলগীয়া ব্যক্তিসকলে প্ৰপত্ৰ অথবা বগা কাগজত নিজৰ নাম, ঠিকনা, জাতি আৰু আয় সম্বন্ধে লিখি জনাব।
- মোকৰ্দমাৰ বিৱৰণ দিব।
- আবেদন পত্ৰৰ লগত আয়ৰ প্ৰমাণ-পত্ৰ, ফটোসহ পৰিচয় পত্ৰৰ ফটো কপি সংলগ্ন কৰি জিলা ন্যায়িক সেৱা প্ৰাধিকৰণ, সচিব বা ৰাজ্য উচ্চ ন্যায়ালয়ৰ ন্যায়িক সেৱা প্ৰাধিকৰণ, সচিবৰ কাৰ্য্যালয়ত আবেদন জমা দিব।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)

২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)

৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)

৪) শালীনতাৰ মৰ্যাদা (আইনী সাক্ষৰতা শৃংখলা-৪)

৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)

৬) আশাৰ ৰেঙণি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)

৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)

৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)

৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)

১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানৱ সৰবৰাহ আইন ১৯৫৬)

১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat

STATE RESOURCE CENTRE ASSAM
1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in